অসম

২৬ নৱেম্বৰত কংগ্ৰেছৰ দেশজোৰা ‘সংবিধান ৰক্ষা পদযাত্ৰা’, গুৱাহাটীতো ব্যাপক প্ৰস্তুতি

২৬ নৱেম্বৰত দেশজুৰি ‘সংবিধান ৰক্ষা পদযাত্ৰা’ উলিয়াব কংগ্ৰেছে। গুৱাহাটীতো অনুষ্ঠিত হ’ব বিশেষ কার্যসূচী।

প্ৰকাশ: ২২ নৱেম্বৰ ২০২৬, নিশা ৭:০৫



(NewzNow)

গুৱাহাটী, ২২ নৱেম্বৰ: লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ নেতৃত্বত চলি থকা ‘ভোট বচাওক, দেশ বচাওক’ অভিযানৰ অংশ হিচাপে অহা ২৬ নৱেম্বৰ অর্থাৎ সংবিধান দিৱসৰ দিনা সমগ্ৰ দেশৰ লগতে অসমতো কংগ্ৰেছে ‘সংবিধান ৰক্ষা পদযাত্ৰা’ কার্যসূচী ৰূপায়ণ কৰিব। গুৱাহাটীৰ ৰাজীৱ ভৱনত আয়োজিত এক সংবাদমেলত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সহঃতত্ত্বাৱধায়ক মনোজ চৌহানে এই কার্যসূচীৰ বিষয়ে সদৰী কৰে।

সংবাদমেলত মনোজ চৌহানে কয় যে দেশৰ গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ স্বার্থত কংগ্ৰেছ আৰু ‘ইণ্ডিয়া’ মিত্ৰজোঁটৰ সহযোগী দলসমূহে ধাৰাবাহিক প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। তেওঁ অভিযোগ উত্থাপন কৰি কয়, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে দেশৰ মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ সৈতে মিলি ভোট চুৰিৰ জৰিয়তে চৰকাৰ গঠন কৰিছে আৰু দেশৰ গণতন্ত্ৰক লুণ্ঠন চলাইছে।"

চৌহানে লগতে অভিযোগ কৰে যে ২০২৩ চনত সর্বোচ্চ ন্যায়ালয়ে নির্বাচন আয়ুক্ত নিযুক্তিৰ ক্ষেত্রত প্রধানমন্ত্রী, বিৰোধী দলপতি আৰু দেশৰ মুখ্য ন্যায়াধীশক লৈ এখন সমিতি গঠনৰ নির্দেশ দিছিল। কিন্তু কেন্দ্রীয় চৰকাৰে সংসদত আইন প্রণয়ন কৰি মুখ্য ন্যায়াধীশৰ স্থানত এগৰাকী কেবিনেট মন্ত্রীক অন্তর্ভুক্ত কৰি সেই ৰায় সলনি কৰি পেলালে।

ভোট চুৰিৰ বিৰুদ্ধে ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে ২৬ নৱেম্বৰত দেশৰ প্রতিখন ৰাজ্যৰ সদৰ ঠাইত এই পদযাত্রা উলিওৱা হ'ব বুলি উল্লেখ কৰি চৌহানে সকলো গণতন্ত্রপ্রেমী লোকক এই কার্যসূচীত অংশ ল'বলৈ আহ্বান জনায়। সংবাদমেলত তেওঁ কংগ্রেছৰ তিনিটা মূল দাবীৰ কথা উল্লেখ কৰে— মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগ, দেশৰ ১৩ কোটি ৩০ লাখ ভোটাৰৰ নাম কর্তন কৰা এছ্ আই আৰ প্রক্রিয়া বাতিল আৰু ভৱিষ্যতৰ সকলো লোকসভা তথা বিধানসভা নির্বাচন বেলট পেপাৰৰ জৰিয়তে অনুষ্ঠিত কৰা।

প্রদেশ কংগ্রেছৰ মাধ্যম বিভাগৰ অধ্যক্ষ বেদব্রত বৰাই জনোৱা মতে, ২৬ নৱেম্বৰৰ পুৱা ১১ বজাত গুৱাহাটীৰ মানৱেন্দ্র শর্মা কমপ্লেক্সত এই পদযাত্রা কার্যসূচী অনুষ্ঠিত হ'ব। সংবাদমেলখনত প্রদেশ কংগ্রেছৰ ছ'চিয়েল মিডিয়া বিভাগৰ অধ্যক্ষ ঋতুপর্ণ কোঁৱৰ আৰু সম্পাদক ঘন চুতীয়াও উপস্থিত থাকে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5353/congress-samvidhan-raksha-padayatra-november-twenty-six